3 (Sem–4/CBCS) ASM HC 3

# 2021

## ASSAMESE

Paper : ASM–HC–4036

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×৬=৬

(ক) 'ৰুক্মিণী হৰণ' নাটকৰ মূল উৎস কি?

(খ) 'অৰ্জুন ভঞ্জন' নাটকক আন কি নামেৰে জনা যায়?

(গ) ভট্টদেৱৰ প্ৰকৃত নাম কি?

(ঘ) 'শত্ৰুঞ্জয় কাব্য' কোনে ৰচনা কৰিছিল?

(ঙ) স্বৰ্গদেউ শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ নিৰ্দেশ মৰ্মে সুকুমাৰ বৰকাথে ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

(চ) 'কথা গুৰু চৰিত' প্ৰথমে কোনে সম্পাদনা কৰি উলিয়াইছিল?





২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) বেদনিধি কোন আছিল?

(খ) মাধৱদেৱে ৰচনা কৰা যি কোনো দুখন ঝুমুৰাৰ নাম লিখা।

(গ) মন্ত্ৰ সাহিত্যৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) 'হস্তী বিদ্যাৰ্ণৱ' পুথিৰ ছবিবোৰ কোন দুজন শিল্পীয়ে অংকন কৰিছিল?

(ঙ) কৈকেয়ীয়ে ৰজা দশৰথৰ পৰা বিচৰা বৰ দুটা কি কি?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬×৪=২৪

(ক) 'ৰুক্মিণী হৰণ' নাটৰ অন্তৰ্গত 'ৰুক্মিণীৰ প্ৰেমপত্ৰ'খনৰ মূল কথাখিনি চমুকৈ লিখা।

(খ) মাধৱদেৱৰ সাহিত্যকৃতি সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

(গ) অৰ্জুনৰ মনলৈ কি কি কাৰণত বিষাদ নামি আহিছিল?

(ঘ) 'গুৰুসেৱা মাহাত্ম্য' পাঠত উল্লেখ থকা মতে গুৰু আৰু ভকতৰ প্ৰধান লক্ষণসমূহ কি কি?

(ঙ) চামধৰা গড়ৰ ৰণজয় শিলৰ ফলিখনৰ এটি পৰিচয় দাঙি ধৰা।

(চ) চৰিত তোলা প্ৰথা বুলিলে কি বুজা? চমুকৈ লিখা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **চাৰিটা**) : ১০×৪=৪০

(ক) শংকৰদেৱ আৰু মাধৱদেৱৰ নাটকৰ মাজত থকা পাৰ্থক্যসমূহ উল্লেখ কৰি এটি আলোচনা যুগুত কৰা।

(খ) তোমাৰ পাঠ্য অন্তৰ্ভুক্ত '**নন্দ যশোদাৰ কলহ**'ৰ আধাৰত মাতৃ যশোদা আৰু শিশুকৃষ্ণৰ চৰিত্ৰ দুটাৰ বিষয়ে পৃথকে পৃথকে আলোচনা দাঙি ধৰা।

(গ) '**ৰামৰ বন গমন**' পাঠৰ যোগেদি ৰাম চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ঘ) অসমীয়া লোকসমাজত মন্ত্ৰ-সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰি এখন ৰচনা লিখা।

(ঙ) 'সাতসৰী অসম বুৰঞ্জী' পাঠৰ সহায়ত বুৰঞ্জীৰ গদ্য সম্পৰ্কে এটি টোকা যুগুত কৰা।

(চ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠটোৰ মূল কথাখিনি চমুকৈ লিখা।

★★★